অসম চৰকাৰ

REFERENCE
NOT FOR ISSUE
LIBRARY
ASSAM LEGISLATIVE ASSEMBLY

Library copy

# অসম ভেঞ্চাৰ শিক্ষানুষ্ঠান (সেৱাৰ প্ৰাদেশিকীকৰণ) আইন, ২০১১ ৰ অধীনত শিক্ষানুষ্ঠান সমূহৰ শিক্ষক-কৰ্মচাৰীসকলৰ সেৱা প্ৰাদেশিকীকৰণ সম্পৰ্কীয়

# শ্বেতপত্ৰ

অসম বিধান সভা, ২৭ ফেব্ৰুৱাৰী, ২০১৭

# অসম ভেঞ্চাৰ শিক্ষানুষ্ঠান (সেৱাৰ প্ৰাদেশিকীকৰণ) আইন, ২০১১ ৰ অধীনত শিক্ষানুষ্ঠান সমূহৰ শিক্ষক-কৰ্মচাৰীসকলৰ সেৱা প্ৰাদেশিকীকৰণ সম্পৰ্কীয়

## শ্বেতপত্ৰ

NOT FOR ISSUE
LIBRARY
ASSAM LEGISLATIVE ASSEMBLY

### প্ৰেক্ষাপট

(ক) প্ৰাচীন অসমত অতি সীমিত সংখ্যকহে শিক্ষানুষ্ঠান আছিল আৰু সেই প্ৰতিষ্ঠানসমূহ পৌৰ চহৰসমূহতে সীমাৱদ্ধ আছিল। অসমৰ মানুহ সেয়ে শিক্ষা গ্ৰহণৰ উদ্দেশ্যে অন্য ৰাজ্যালৈ যাবলগীয়া হৈছিল। উচ্চ শিক্ষা লাভৰ বাবে বিশেষকৈ কলকতা চহৰকে বাচি ল'ব লগা হৈছিল অসমৰ মানুহে। পিছত বৃটিছ চৰকাৰে ৰাজ্যখনৰ জিলা সদৰ সমূহত কিছুমান উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় স্থাপন কৰিলে আৰু সেই শিক্ষা প্ৰতিষ্ঠান সমূহকে সম্প্ৰতি চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয় বুলি জনা যায়। শিক্ষা গ্ৰহণৰ চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি পাছত স্থানীয় লোকসকলে নিজাববীয়াকৈ কিছুমান শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰিবলৈ ল'লে আৰু সেই বিলাকেই ভেঞ্চাৰ শিক্ষানুষ্ঠান হিচাপে জনাজাত হ'ল। ইয়াৰ সমান্তৰালভাৱে চৰকাৰৰেও চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয় আৰু চৰকাৰী ডিগ্ৰী মহাবিদ্যালয়সমূহৰ জৰিয়তে শিক্ষাৰ প্ৰসাৰৰ বাবে বৰঙণি যোগাবলৈ ধৰিলে। স্বাধীনতাৰ পিছত অসম চৰকাৰে ভেঞ্চাৰ শিক্ষানুষ্ঠানসমূহক মঞ্জুৰি দিবলৈ আৰম্ভ কৰিলে আৰু সেই প্ৰতিষ্ঠানসমূহেই মঞ্জুৰিপ্ৰাপ্ত বিদ্যালয় বা মহাবিদ্যালয় হিচাপে পৰিচিত হ'ল। সময়ত আমাৰ সমাজৰ পৰাই এই বিদ্যালয়সমূহৰ ব্যৱস্থাপনা চৰকাৰৰ জৰিয়তে হওক বুলি দাবী উত্থাপন হ'বলৈ ধৰিলে আৰু চৰকাৰেও এই বিদ্যালয়সমূহৰ শিক্ষক তথা অন্যান্য কৰ্মচাৰীৰ চাকৰিকে সামৰি লৈ সময়ে সময়ে কিছুমান বিধি প্ৰণয়ন কৰি বিদ্যালয়সমূহ প্ৰাদেশিকীকৰণ কৰিলে।

(খ) ভেঞ্চাৰ শিক্ষানুষ্ঠানসমূহৰ প্ৰাদেশিকীকৰণৰ বাবে যোৱা কেইটামান দশকত চৰকাৰে প্ৰণয়ন কৰা বিধিসমূহ হ'ল এনে ধৰণৰ ঃ

**(গ) অসম প্ৰাথমিক শিক্ষা (প্ৰাদেশিকীকৰণ) আইন, ১৯৭৪ ঃ**

অসম চৰকাৰে প্ৰাথমিক শিক্ষা খণ্ডৰ ৰাজ্যিক তথা আঞ্চলিক ব'ৰ্ডসমূহৰ বিভিন্ন স্তৰৰ কৰ্মচাৰীসকলৰ সেৱা প্ৰাদেশিকীকৰণ আৰু তেওঁলোকক ৰাজ্যিক চৰকাৰৰ নিয়ন্ত্ৰণ আৰু ব্যৱস্থাপনাৰ অধীনলৈ অনাৰ বাবে অসম প্ৰাথমিক শিক্ষা (প্ৰাদেশিকীকৰণ) আইন, **১৯৭৪** প্ৰণয়ন কৰা হৈছিল আৰু **৫.৯.১৯৭৫** তাৰিখৰ পৰা সেই আইন বলৱৎ হৈছিল। সেই প্ৰাদেশিকীকৰণ আইনৰ যোগেদি এই কৰ্মচাৰীসকলক চৰকাৰী কৰ্মচাৰী হিচাপে গণ্য কৰা হৈছিল আৰু 'অসম সেৱা (পেঞ্চন) আইন, **১৯৬৯**' ৰ অধীনত তেওঁলোকক পেঞ্চনৰ সুবিধা প্ৰদান কৰা হৈছিল।

**(ঘ) অসম মাধ্যমিক শিক্ষা (প্ৰাদেশিকীকৰণ) আইন, ১৯৭৭ ঃ**

অন্যান্য শিক্ষা প্ৰতিষ্ঠানৰ নিচিনাকৈ ইয়াৰ উৎকৰ্য সাধন, সু-নিয়ন্ত্ৰণ আৰু উপযুক্ত ব্যৱস্থাপনাৰ বাবে অসম চৰকাৰৰ মঞ্জুৰি আঁচনিৰ আওতাত প্ৰাদেশিকীকৰণৰ সুবিধা প্ৰদানৰ অৰ্থে অসম মাধ্যমিক শিক্ষা (প্ৰাদেশিকীকৰণ) আইন, **১৯৭৭** প্ৰণয়ন কৰা হৈছিল আৰু এই আইন বলৱৎ হৈছিল **১.১০.১৯৭৭** তাৰিখৰ পৰা। মাধ্যমিক শিক্ষাৰ অধীনত ঘাটি মঞ্জুৰিপ্ৰাপ্ত শিক্ষা প্ৰতিষ্ঠানৰ শিক্ষক আৰু কৰ্মচাৰীক এই আইনৰ অধীনত প্ৰাদেশিকীকৰণ কৰা হৈছিল। প্ৰাদেশিকীকৰণৰ পিছত এই কৰ্মচাৰীসকলক চৰকাৰী কৰ্মচাৰীৰ মান্যতা দিয়া হৈছিল আৰু তেওঁলোকক অসম সেৱা (পেঞ্চন) বিধি **১৯৬৯** মতে, পেঞ্চনৰ সুবিধা আগবঢ়োৱা হৈছিল।

(ঙ) অসম মহাবিদ্যালয় কৰ্মচাৰী (প্ৰাদেশিকীকৰণ) আইন, ২০০৫ ঃ

ঘাটি মঞ্জুৰিপ্ৰাপ্ত বেচৰকাৰী মহাবিদ্যালয়সমূহৰ কৰ্মচাৰীসকলৰ চাকৰি প্ৰাদেশিকীকৰণৰ উদ্দেশ্যে অসম মহাবিদ্যালয় কৰ্মচাৰী (প্ৰাদেশিকীকৰণ) আইন, ২০০৫ প্ৰণয়ন কৰা হৈছিল আৰু এই আইনখন ১.১২.২০০৫ তাৰিখৰ পৰা বলৱৎ হৈছিল। প্ৰাদেশিকীকৰণৰ পিছত এই কলেজত শিক্ষকসকলে চৰকাৰী কৰ্মচাৰীৰ মৰ্যাদা লাভ কৰিছিল আৰু আৰু অসম সেৱা (প্ৰাদেশিকীকৰণ) বিধি, ১৯৬৯ মতে পেঞ্চনৰ সুবিধা লাভ কৰিছিল।

(চ) শেহতীয়াকৈ ২০১১/২০১২ চনত প্ৰণয়ন কৰা আইনসমূহ এনেধৰণৰ ঃ

১. অসম ভেঞ্চাৰ শিক্ষানুষ্ঠান (সেৱাৰ প্ৰাদেশিকীকৰণ) আইন, ২০১১ ;
২. অসম ভেঞ্চাৰ মাদ্ৰাছা শিক্ষানুষ্ঠান (সেৱাৰ প্ৰাদেশিকীকৰণ) আইন, ২০১১,
৩. অসম কনিষ্ঠ মহাবিদ্যালয় (সেৱাৰ প্ৰাদেশিকীকৰণ) আইন ২০১২ আৰু
৪. অসম ভেঞ্চাৰ সংস্কৃত আৰু পালি শিক্ষা প্ৰতিষ্ঠান (সেৱাৰ প্ৰাদেশিকীকৰণ) আইন, ২০১২।

প্ৰাদেশিকীকৰণ আইন, ২০১১ অনুসৰি প্ৰাদেশিকীকৃত পদসমূহৰ বাবে ব্যয় নিৰ্ধাৰণ কৰা হৈছিল ১৩৪৩.৪৫ কোটি টকা। এই ব্যয় পৰৱৰ্তী বৰ্ষৰ পৰা অসম দৰমহা আয়োগৰ পৰামৰ্শ অনুসৰি প্ৰায় ২০% লৈ বৃদ্ধি হ'ব বুলি আশা কৰা হৈছে। বৰ্তমানৰ আইনৰ অধীনত পূৰ্বে উল্লেখ কৰা প্ৰাদেশিকীকৃত শিক্ষা প্ৰতিষ্ঠানৰ উপৰি অতিৰিক্তভাৱে ৩১৩৮ খন প্ৰাথমিক বিদ্যালয়, ২৮৮৯ খন উচ্চ প্ৰাথমিক বিদ্যালয়, ৫৮১ খন উচ্চ মাধ্যমিক বিদ্যালয়/উচ্চতৰ মাধ্যমিক বিদ্যালয়/জুনিয়ৰ মহাবিদ্যালয়কে ধৰি মুঠ ৩৩৬৬৮ খন শিক্ষা প্ৰতিষ্ঠানক প্ৰাদেশিকীকৰণ কৰাৰ প্ৰস্তাৱ লোৱা হৈছিল। যদি এই প্ৰতিষ্ঠানসমূহ প্ৰাদেশিকীকৃত হয় তেতিয়া হ'লে বৰ্তমানৰ আইন মতে প্ৰাদেশিকীকৃত হ'বলগীয়া পদসমূহৰৰ বাবে নিৰ্ধাৰিত ব্যয় প্ৰতিবছৰে হ'বগৈ ৯২৫.৪২ কোটি টকা (তালিকা সন্নিবিষ্ট)

অসম চৰকাৰৰ শিক্ষা বিভাগে ইয়াৰ পিছত মুঠতে ১২১৪১ গৰাকী কৰ্মচাৰী যুক্ত ২০০৬ চনৰ পিছত স্বীকৃতি আৰু অনুমোদন লাভ কৰা ১৩৭০ খন বিদ্যালয় আৰু মহাবিদ্যালয়ৰ প্ৰাদেশিকীকৰণৰ বাবে বিভিন্ন সংগঠনৰ পৰা আবেদন লাভ কৰিছিল। প্ৰাদেশিকীকৰণ আইন, ২০১১ই সাঙুৰি নোলোৱা প্ৰাদেশিকীকৰণৰ বাবে দাবী উত্থাপন কৰা আৰু যদিহে প্ৰাদেশিকীকৰণৰ বাবে বিবেচনা কৰা হৈছে তেনে বিভিন্ন বিদ্যালয় আৰু মহাবিদ্যালয়ৰ বাবে আনুমানিক বাৰ্ষিক ব্যয় ৯২৪.০৭ কোটি টকা হ'বগৈ। (তালিকা সন্নিবিষ্ট)

(ছ) পূৰ্বৰ চৰকাৰে অপৰিকল্পিতভাৱে বিভিন্ন স্তৰৰ শিক্ষানুষ্ঠানসমূহক প্ৰাদেশিকীকৰণ কৰাৰ ফলশ্ৰুতিতে সমগ্ৰ ৰাজ্যখনতে কাঠফুলাৰ দৰে ভেঞ্চাৰ শিক্ষানুষ্ঠানসমূহ গজি উঠিছে। এইখিনিতে উল্লেখ কৰাটো উচিত হ'ব যে ভেঞ্চাৰ শিক্ষানুষ্ঠানসমূহৰ বোজা বহন কৰিবলগীয়া হোৱা বাবে অন্যান্য শিক্ষা প্ৰতিষ্ঠানসমূহে দ্ৰুত পৰিৱৰ্তিত শিক্ষা পদ্ধতিৰ সৈতে খোজ মিলাই গুণবিশিষ্ট শিক্ষা সঞ্চাৰ কৰাত অসুবিধাৰ সন্মুখীন হ'ব লগা হৈছে।

(জ) প্ৰাদেশিকীকৰণ আইন, ২০১১ ত থকা কিছুমান বিচ্যুতিৰ বিষয়ে তলত উল্লেখ কৰা হ'ল—

১. অৰ্হতা নিৰ্ণয়ৰ নীতি ঃ প্ৰাদেশিকীকৰণ আইন, ২০১১ আৰ টি ই আই- ২০০৯/এন চি টি ই বিধিৰ মাজত অসমাঞ্জস্যতা।

শিশুৰ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা অধিকাৰ আইন, ২০০৯ (আৰ টি আইন, ২০০৯) ৰ ২৩ নং অনুচ্ছেদত নেশ্যনেল কাউন্সিল ফৰ টিছাৰ এডুকেশ্যনৰ নিয়ম অনুসৰি শিক্ষক সকলৰ ন্যূনতম শিক্ষাগত অৰ্হতাৰ বিষয়ে উল্লেখ আছে। নেশ্যনেল কাউন্সিলৰ দৰে টিছাৰ এডুকেশ্যন ৰেগুলেশ্যন মতে বিভিন্ন স্তৰৰ বিদ্যালয়ৰ বাবে ধাৰ্য কৰা ন্যূনতম শিক্ষাগত আৰু বৃত্তিগত অৰ্হতাৰ তালিকা তলত উল্লেখ কৰা হ'ল ঃ

| স্তৰ (level) | ন্যূনতম শিক্ষাগত আৰু বৃত্তিগত অৰ্হতা |
|---|---|
| নিম্ন প্ৰাথমিক (১মৰ পৰা পঞ্চম শ্ৰেণীৰ বাবে) | (ক) কমপক্ষেও ৫০% নম্বৰসহ ছিনিয়ৰ ছেকেণ্ডাৰী (বা ইয়াৰ সমপৰ্যায়ৰ) পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব আৰু প্ৰাথমিক শিক্ষাত দুবছৰীয়া ডিপ্ল'মা থাকিব লাগিব।<br>নাইবা<br>কমপক্ষেও ৪৫% শতাংশ নম্বৰসহ ছিনিয়ৰ ছেকেণ্ডাৰী (বা ইয়াৰ সমপৰ্যায়ৰ) পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব আৰু এন চি টি ই (স্বীকৃত নিয়ম আৰু কাৰ্য প্ৰণালী), আইন ২০০২ ৰ অধীনত প্ৰাথমিক শিক্ষাত দুবছৰীয়া ডিপ্ল'মাধাৰী হ'ব লাগিব।<br>নাইবা<br>কম পক্ষেও ৫০% নম্বৰসহ ছিনিয়ৰ ছেকেণ্ডাৰী (বা ইয়াৰ সমপৰ্যায়ৰ) ৰ পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব আৰু চাৰিবছৰীয়া প্ৰাথমিক শিক্ষাত স্নাতক (বি ই এল ই ডি) ডিগ্ৰীধাৰী হ'ব লাগিব।<br>নাইবা<br>৫০% নম্বৰসহ ছিনিয়ৰ ছেকেণ্ডাৰী (বা ইয়াৰ সমপৰ্যায়ৰ)ৰ পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব। লগতে শিক্ষাত দুবছৰীয়া ডিপ্ল'মা (বিশেষ শিক্ষা) প্ৰাপ্ত হ'ব লাগিব।<br>আৰু<br>(খ) এন চি টি ইয়ে শিক্ষক নিযুক্তি সন্দৰ্ভত যুগুত কৰা নিৰ্দেশনা মতে শিক্ষক যোগ্যতামাপক পৰীক্ষা (টে'ট)ত উত্তীৰ্ণ হ'ব লাগিব। |
| উচ্চ প্ৰাথমিক (ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীৰ বাবে) | (ক) বি এ, বি এছ চি আৰু প্ৰাথমিক শিক্ষাত দুবছৰীয়া ডিপ্ল'মাধাৰী হ'ব লাগিব।<br>নাইবা<br>৫০% নম্বৰৰসহ বি এ, বি এছ চি ডিগ্ৰীধাৰী হ'ব লাগিব লগতে এবছৰীয়া শিক্ষাত স্নাতক (বি এড়) ডিগ্ৰীধাৰী হ'ব লাগিব।<br>নাইবা<br>৪৫% নম্বৰসহ বি এ, বি এছ চি ডিগ্ৰাধাৰী হ'ব লাগিব লগতে এন চি টি ই (স্বীকৃত নিয়ম আৰু কাৰ্যপ্ৰণালী) বিধিৰ সৈতে সংগতি ৰাখি ন্যূনতম এবছৰীয়া শিক্ষাত স্নাতক (বি এড) ডিগ্ৰী লাভ কৰিব লাগিব।<br>নাইবা<br>৫০% নম্বৰসহ ছিনিয়ৰ ছেকেণ্ডাৰী (বা ইয়াৰ সমপৰ্যায়ৰ)ৰ পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব। চাৰিবছৰীয়া প্ৰাথমিক শিক্ষাত স্নাতক (বি ই এল ই ডি) ডিগ্ৰীধাৰী হ'ব লাগিব।<br>নাইবা<br>৫০% নম্বৰসহ ছিনিয়ৰ ছেকেণ্ডাৰী (বা ইয়াৰ সমপৰ্যায়ৰ) পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব লগতে চাৰিবছৰীয়া বি এ/বি এছ চি/ইডি বা বি এড/বি এছ চি ই ডি) ডিগ্ৰীধাৰী হ'ব লাগিব।<br>নাইবা<br>কমপক্ষেও ৫০% নম্বৰসহ বি এ/বি এছ চি ডিগ্ৰীধাৰী হোৱাৰ লগতে এবছৰীয়া বি এড (বিশেষ শিক্ষা) হ'ব লাগিব।<br>আৰু<br>(খ) এন চি টি ইয়ে এই উদ্দেশ্যে যুগুত কৰা নিৰ্দেশনা অনুযায়ী শিক্ষক যোগ্যতামাপক পৰীক্ষাত (টে'ট) উত্তীৰ্ণ হ'ব লাগিব। |

| স্তৰ (level) | ন্যূনতম শিক্ষাগত আৰু বৃত্তিগত অৰ্হতা |
|---|---|
| হাইস্কুল (নৱম শ্ৰেণীৰপৰা দশম শ্ৰেণীলৈ)। (প্ৰাদেশিকীকৰণ আইন, ২০১১ প্ৰযোজ্য হোৱাৰ সময়ত এন চি টি ই বিধি অনুসৰি) | স্নাতক আৰু বি এড ডিগ্ৰীধাৰী বা ইয়াৰ সমপৰ্যায়ৰ হ'ব লাগিব।<br>নাইবা<br>চাৰিবছৰীয়া সমন্বিত বি এছ চি, বি এড বা ইয়াৰ সমপৰ্যায়ৰ পাঠ্যক্ৰমত উত্তীৰ্ণ হ'ব লাগিব। |
| ছিনিয়ৰ ছেকেণ্ডাৰী/ইণ্টাৰমেডিয়েট (একাদশ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ)। প্ৰাদেশিকীকৰণ আইন, ২০১১ প্ৰযোজ্য হোৱাৰ সময়ত) | বি এড বা ইয়াৰ সম পৰ্যায়ৰ ডিগ্ৰীৰ সৈতে সংশ্লিষ্ট বিষয়ত স্নাতকোত্তৰ ডিগ্ৰীধাৰী হ'ব লাগিব।<br>নাইবা<br>দুবছৰীয়া সমন্বিত এম এছ চি, বি এড্ বা সমপৰ্যায়ৰ পাঠ্যক্ৰমত উত্তীৰ্ণ হ'ব লাগিব। |

অসম ভেঞ্চাৰ শিক্ষা প্ৰতিষ্ঠান (সেৱা প্ৰাদেশিকীকৰণ) আইন, ২০১১ ৰ উপ-অনুচ্ছেদ-৩ আৰু অনুচ্ছেদ-৪ ত কোৱা হৈছে যে শিক্ষকসকলৰ তেওঁলোকৰ প্ৰাৰম্ভিক নিযুক্তিৰ সময়ত সংশ্লিষ্ট বিধিয়ে আৰোপ কৰা ধৰণে দৰকাৰী শৈক্ষিক আৰু বৃত্তিগত অৰ্হতা থাকিব লাগিব। অসম মাধ্যমিক শিক্ষা (প্ৰাদেশিকীকৰণ) সেৱা বিধি, ১৯৮২ আৰু অসম মাধ্যমিক শিক্ষা (প্ৰাদেশিকীকৰণ) সেৱাবিধি, ২০০৩ (মাধ্যমিক শিক্ষাৰ স্বাৰ্থত সংশোধিত), অসম প্ৰাথমিক শিক্ষা (প্ৰাদেশিকীকৰণ সেৱা বিধি), ১৯৭৭ (প্ৰাথমিক শিক্ষাৰ স্বাৰ্থত সংশোধিত)ৰ অধীনতত প্ৰাদেশিকীকৰণ আইন অনুসৰি প্ৰাদেশিকীকৰণৰ বাবে বিবেচনা কৰা ভেঞ্চাৰ শিক্ষানুষ্ঠানৰ কৰ্মচাৰীসকলক মকৰল কৰা হৈছিল। এই আটাইবোৰ সেৱাবিধিতে প্ৰাথমিক শিক্ষাৰ শিক্ষকৰ কাৰণে প্ৰাথমিক শিক্ষাত বৃত্তিগত শিক্ষাৰ ডিপ্ল'মা বা মাধ্যমিক শিক্ষাৰ অধীনৰ শিক্ষকৰ কাৰণে বি টি বা বি এড ডিগ্ৰী বাধ্যতামূলক কৰা হোৱা নাছিল। আনকি প্ৰাদেশিকীকৰণ আইনৰ অধীনত প্ৰাদেশিকীকৰণৰ বাবে বিবেচনা কৰা শিক্ষকসকলৰ প্ৰাৰম্ভিক মকৰলৰ সময়ত টে'ট বাধ্যতামূলক কৰা নাছিল। লক্ষ্যণীয় কথাটো হ'ল আৰ টি ই আইন, এন চি টি ই বিধিমতে কিন্তু প্ৰাথমিক শিক্ষাৰ শিক্ষকৰ বাবে টে'ট আৰু মাধ্যমিক শিক্ষাৰ শিক্ষকৰ বাবে বি এড আৰু বি টি ডিগ্ৰী বাধ্যতামূলক আছিল।

**২. দূৰত্বৰ ব্যৱধান নীতিক উপেক্ষা ঃ**

প্ৰাথমিক শিক্ষাৰ অধীনৰ বিদ্যালয় বিলাকৰ প্ৰাদেশিকীকৰণৰ ক্ষেত্ৰত প্ৰাদেশিকীকৰণ আইনে দূৰত্বৰ ব্যৱধান নিয়মখিনিকো উপেক্ষা কৰিছিল। ইয়াৰ বাবে এটা নিৰ্দ্দিষ্ট এলেকাত, য'ত আনকি এখন বিদ্যালয়ৰ অস্তিত্ব আছেই, তাতে অন্য এখন বিদ্যালয়কহে প্ৰাদেশিকীকৰণৰ কৰা হ'ল। দুৰ্ভাগ্যজনকভাৱে কিছুমান সাঙুৰি নোলোৱা এলেকাতো এখনো বিদ্যালয় স্থাপন কৰা নহ'ল। আৰ টি ই বিধি, ২০১১ ৰ অধীনত বান্ধি দিয়া চৰ্ত মতে বিদ্যালয়ৰ এলেকাসমূহ হ'ল এনে ধৰণৰ—

১. প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এক কিলোমিটাৰ দূৰত্বৰ মাজত এখন বিদ্যালয়।
২. ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণী ছাত্ৰ-ছাত্ৰীৰ বাবে তিনি কিলোমিটাৰ দূৰত্বৰ মাজত এখন বিদ্যালয় স্থাপন হ'ব লাগিব।

ইয়াৰ উপৰি ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা নীতি অনুযায়ী পাঁচ কিলোমিটাৰ ব্যাসাৰ্দ্ধৰ মাজত এখন হাইস্কুল আৰু সাত কিলোমিটাৰ ব্যাসাৰ্দ্ধৰ মাজত এখন উচ্চতৰ মাধ্যমিক বিদ্যালয় স্থাপন হ'ব লাগে।

৩. **উচ্চ শিক্ষাৰ শিক্ষকৰ বাবে শৈক্ষিক আৰু বৃত্তিগত শিক্ষাৰ অৰ্হতা ঃ**

প্ৰাদেশিকীকৰণ আইন, ২০১১ৰ উপ-অনুচ্ছেদ-৩ আৰু অনুচ্ছেদ-৪ অনুসৰি উচ্চ শিক্ষাৰ শিক্ষকসকল সময়ে সময়ে বিশ্ববিদ্যালয় মঞ্জুৰি আয়োগে স্থিৰ কৰি দিয়া শৈক্ষিক আৰু বৃত্তিগত শিক্ষাৰ অৰ্হতাসম্পন্ন হোৱাটো বাধ্যতামূলক। ডিগ্ৰী কলেজৰ অধীনৰ শিক্ষকসকলৰ কাৰণে নিৰ্ধাৰণ কৰা শিক্ষাগত আৰু বৃত্তিগত শিক্ষাৰ অৰ্হতা সমূহ হ'ল এনে ধৰণৰ ঃ

(ক) সংশ্লিষ্ট বিষয়ত ৫৫% শতাংশ নম্বৰসহ স্নাতকোত্তৰ ডিগ্ৰী। (অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ প্ৰাৰ্থীৰ বাবে ৰেহাই)।

(খ) NET, SLET, Phd

যি কি নহওক নিৰ্ধাৰিত শিক্ষাগত বা বৃত্তিগত অৰ্হতা নথকা প্ৰাৰ্থীসকলক অৱশ্যে প্ৰয়োজনীয় অৰ্হতা অৰ্জনৰ বাবে ৫ বছৰ সময় দিয়াৰ এটা ব্যৱস্থা আছে। অৰ্থাৎ প্ৰাৰ্থীগৰাকীয়ে তেওঁৰ নিযুক্তিৰ নিৰ্দ্দিষ্ট ম্যাদৰ ভিতৰত এই অৰ্হতা অৰ্জন কৰিব লাগিব। প্ৰাদেশিকীকৰণৰ কাৰণে লগতে সেই ধৰণৰ আৱশ্যকীয় অৰ্হতা লাভৰ সুবিধাও প্ৰদান কৰা হ'ব।

৪. **ভেঞ্চাৰ স্কুল আৰু প্ৰাদেশিকীকৰণ আইনৰ ত্ৰুটিসমূহ—**

ওপৰত উল্লিখিত নিৰ্দ্দিষ্ট কাৰণসমূহৰ পৰা আমি উপলব্ধি কৰিব পাৰো যে ভেঞ্চাৰ স্কুল আৰু প্ৰাদেশিকীকৰণ আইন, ২০১১ত কিছুমান ত্ৰুটি-বিচ্যুতি আছে। সেই ত্ৰুটিসমূহ একাদিক্ৰমে উল্লেখ কৰা হ'লঃ

(ক) শিক্ষাৰ অধিকাৰ আইন/NCTE বিধি, SEBA ৰ বিধিয়ে ধাৰ্য কৰা শৈক্ষিক অৰ্হতাক প্ৰাদেশিকীকৰণ আইনত ধাৰ্য কৰা হোৱা নাই।

(খ) প্ৰাদেশিকীকৰণ আইনখনত ৰাজ্য চৰকাৰৰ পদ সংৰক্ষণ নীতি সম্পূৰ্ণভাৱে উলংঘা কৰা দেখা যায়। কিয়নো, এই ভেঞ্চাৰ শিক্ষানুষ্ঠানসমূহত স্থানীয় লোকে শিক্ষক নিযুক্তি দিয়াৰ বাবে এই সংৰক্ষণ নীতি বলৱৎ হোৱা নাই। এই পদ সংৰক্ষণ নীতিৰ আধাৰত তালিকা প্ৰস্তুত কৰি শিক্ষকৰ পদসমূহ শৃংখলিত কৰিবলৈ হ'লে সাধাৰণ শ্ৰেণীৰ প্ৰাৰ্থীসকল আগন্তুক ২৫/৩০ বছৰ পৰ্যন্ত বঞ্চিত হোৱাৰ সম্ভাৱনা আছে।

গ) এই আইনমতে বিদ্যালয়/মহাবিদ্যালয়ত শিক্ষকসকলৰ নিযুক্তিৰ সময়ত কিছুসংখ্যক শিক্ষকৰ বেলিকা বৈষম্য হৈছে। দ্বিতীয়তে জ্যেষ্ঠতাৰ ভিত্তিত শিক্ষকৰ চাকৰিৰ প্ৰাদেশিকীকৰণ কৰিবলগীয়া হোৱা বাবে কিছুমান বিদ্যালয়ত মূল বিষয়ৰ শিক্ষকৰ চাকৰি প্ৰাদেশিকীকৰণ নহ'ল।

(ঘ) ভেঞ্চাৰ স্কুল/মহাবিদ্যালয়ত প্ৰতিযোগিতা ভিত্তিত শিক্ষক নিযুক্তি দিয়া নহ'ল, এইটো এটা অস্বচ্ছ প্ৰক্ৰিয়া আৰু সেইবাবেই আমাৰ গুণগত শিক্ষা বিঘ্নিত হৈছে।

(ঙ) বিদ্যালয়সমূহৰ প্ৰাদেশিকীকৰণৰ ক্ষেত্ৰত আইনে দূৰত্বৰ ব্যৱধান নীতিখিনিকো উপেক্ষা কৰিছিল।

(চ) কাঠফুলাৰ দৰে অপৰিকল্পিতভাৱে গঢ় লৈ উঠা ভেঞ্চাৰ স্কুল আৰু এই স্কুলবোৰক প্ৰাদেশিকীকৰণ কৰাৰ বাবে ৰাজ্যৰ ৰাজকোষত বুজন পৰিমাণে বিত্তীয় বোজাও বাঢ়িবলৈ ধৰিলে।

(ছ) যেতিয়াই স্থানীয় লোকসকলে ভেঞ্চাৰ স্কুল স্থাপন কৰিবলৈ ল'লে, ভূমি অধিগ্ৰহণৰ বাদে বিদ্যালয়ৰ ভৱনকে ধৰি অন্যান্য আন্তঃগাঁথনিবোৰ সমুচিত নোহোৱা হ'ল। এই বিদ্যালয়সমূহৰ প্ৰাদেশিকীকৰণৰ পিছত বিদ্যালয় ভৱনৰ চোৱাচিতা কৰাৰ দায়িত্ব যেতিয়া চৰকাৰৰ হাতলৈ আহিল, তেতিয়াই ৰাজ্যিক চৰকাৰে ৰাজ্যৰ ৰাজকোষত অতিৰিক্ত বোজা বহন কৰিবলগীয়া হ'ল। এনেকুৱা পৰিস্থিতিত বিদ্যালয়সমূহৰ দুৰ্বল আন্তঃগাঁথনিৰ বাবে চৰকাৰখন ৰাইজৰ সমালোচনাৰ সন্মুখীন হ'বলগীয়া হৈছে।

(৫) ওপৰোক্ত ক্ৰটিসমূহ অসম চৰকাৰৰ বিত্ত বিভাগে বিবেচনা কৰি, বিত্ত বিভাগে শিক্ষা বিভাগলৈ যোৱা ০৫/১২/২০১৫ তাৰিখে এটি বিস্তৃত টোকা প্ৰেৰণ কৰে। উক্ত টোকাত উল্লেখ কৰা বিষয়সমূহ হ'ল এনে ধৰণৰ ঃ

**5.** The Government of Assam in the Finance Department raised all the above issues in its endorsement dated 05.12.2015 to Education Department. The endorsement reads as follows:

"Secretary, Secondary Education Department/O

Ref: Your endorsement dated 13.11.2015 at page 75/RNS in the File No.ASE.345/2011

Finance Department while submitting the proposal to the Hon'ble Chief Minister (as FM) observed that the proposed amendment appears to have a far reaching implication to the State's Finances and it is essential to examine the matter comprehensively to offer the views of Finance Department on the proposed amendment Bill. The observations of Finance Department submitted to Hon'ble CM (as FM) were as under:

1. First, it is noted that the whole exercise requires the answers to two basic questions-
   (a) How to serve the education interest of the children? and (b) At what cost? The answer to these questions can be safely found within the constitutional and legal framework as conferred in the Right to Education Act, 2009. Accordingly, the following critical examination would put the matter in a proper perspective:
2. It is glaring to note that certain provisions of the AVEI (PS) Act and as amended in 2012 and 2013 are found to be not in consistency with the provisions of RTE Act, 2009 of Central Government particularly those related to the serving the interest of Children's Education vis-a-vis cost to the State Exchequer. These aspects would cover the number of teaching and non-teaching staff proposed to be provincialised and cost of infrastructure development cost which in turn basically depends on the number of schools to be run by the State Government.
3. As regard to the number of teachers, PTR is the basis and the Schedule (see Sections 19 & 25) norms and standard for a school of RTE Act, 2009 provides that there should be two teachers up to 60 students in class I to V, it means PTR is 1:30. whereas the section 3(ii) of AVEI (PS) Act 2011 and as amended in 2012 and 2013 provides for 1:25 PTR. This provision has led to provincialisation of services of a large number of teachers which has already put a huge financial stress on the resources.
4. Also, the provision of section 4(1) of RTE Act. 2009 has stipulated condition for establishment of school within one km for primary school of classes I to V and 3 kms for classes VI to VIII has not been referred to in the AVEI (PS). Act 2011 and as amended in 2012 and 2013 which has resulted provincialisation of school in close proximity of areas which could have been scrupulously avoided.

5. The same schedule of RTE Act. 2009 has also set the conditions of the school building and other required amenities for a primary school such as all weather building consisting of (i) at least one classroom for every teacher and an office-cum-store-cum-Head teacher's room; (ii) barrier-free access; (iii) separate toilets for boys and girls; (iv) safe and adequate drinking water facility to all children; (v) a kitchen where mid day meal is cooked in the school; (vi) Playground;
6. Through section 3(3) & (4) of the AVEI (PS) Act. 2011 provide that the institution shall acquire the required infrastructure as specified in the schedule of the RTE Act, 2009 within two years from the date of commencement of this Act, the department appears to have not put in place any system to confirm the compliance of these provisions not only for the proposed cases but also for the provincialisation so far accorded.
7. In the event of provincialisation without the stipulated infrastructure, it would shift enormous financial burden and onus on the State Govt. as per RTE Act, 2009 and in such cases Central Government will not support the State Govt. with funds, since PTR is far lower than the stipulation fixed by the RTE Act, 2009.
8. As regards other than Elementary Education, such principles have either not diligently stipulated or ignored while provincializing the services of the teaching and non teaching staff of secondary and college level institutions. There are no reports of maintaining the proper norms for enrolment, for building and amenities in the institutions and for the distance to be maintained between two institutions, etc. Thus, the scarce resources are not gainfully put to use.
9. With regard to financial implications involved so far in the provincialisation of services of teaching and non teaching staff of the venture institutions from Primary to Higher Education levels, no comprehensive information could be made available to the Finance Department by the Education Department. Though the Department indicated in the current proposal that the financial implication is Rs.120.44 crore per annum against 3699 posts, it is doubtful whether the information is accurately available on the record and whether such detailed exercise has been conducted. No details are available on the file also. This information is doubtful because at the time of initial provincialisation in the year 2011, the department stated that the financial implication was only Rs 1144 crore while the current position even with many proposals pending, the total financial implication is hovering around Rs.8000 crore.
10. Records of Finance (SIU) Department show that since inception of the AVEI (PS) Act. 2011 to till date, the services of 57,131 number of teaching and non teaching staff of Elementary, secondary inclusive Madrassa and Higher Education Departments have been provincialized under this Act. This is almost nearing the number that was initially assessed in the year 2011. But, as per the education department's report there are many more proposals pending and as such the original assessment was grossly under-assessed putting the state finances under severe stress with about 40% of total salary expenditure of the State Government going only to this department.
11. The total financial implication of ongoing provincialisation itself is not clear. As per the recent assessment of the Education Department, the expected financial outflow is about Rs.8490.28 crores baring Higher Education and Technical Education Department. (A brief statement is attached at Flag 'A'). The Department has not been able to provide these details for all levels upto Degree

and Technical Colleges and therefore, the total financial implication would be far higher than Rs 8490.28 crore and further relaxation of the AVEI (PS) Act, 2011 would create huge stress on the State Exchequer.

12. It is also pertinent to mention here what number of more proposals for provincialisation are in the pipeline are yet to be ascertained by the Education Department and what quantum of financial implications are to be incurred from state exchequer are the questions still looming large.
13. On examination of each amendment it is observed that :-

(a) The financial implications provided in the Cabinet Memorandum at the time of enactment of the Act in 2011 was only Rs. 1144 crore. While at the current level of provincialisation itself the total financial outgo to the salaries alone appear to be Rs. 8000 crore. Again, in the current proposal, the financial impact was shown as Rs.120.44 crore for all the amended provisions whereas from the Sl. 198/C it seems to be relevant to only Secondary Education. These anomalies are either due to non-application of mind to such serious issues or deliberately suppressing the facts by the concerned officers in the Department which throw the State public finances out of gear. This matter needs serious consideration.

(b) As regards Section 2(P), it is not clear that by availing the provisions to give effectiveness to the Act, services of how many new schools, no. of employees, etc. will be provincialised and what will be its financial implications. It is also not known whether such future proposals are yet to be borne.

(c) Vide Amendment of section 3 - 3(1) For clause (ii), it may be stated that the Section 6(i) of the sixth schedule of the Constitution of India provides that primary education is an inherent subject of the District council and hence, any intervention of the State Government on this matter is *ultra vires* to the statutory provision of the constitution. In case of High School, Junior college and Degree College, on the proposed substitution of the clause, it cannot be ascertained from the proposal, how many institutions and employees would be covered, as and what would be the financial implication for such provisions to be implemented.

(d) As regards Amendment proposed to Section 3(2), when proposals for provincialisation of the posts of teaching and non-teaching staff of venture institutions of High Schools under the instant provisions of 30% pass percentage in H.S.L.C examination have not been completed and brought to a reasonable conclusion, it would not be prudent to go ahead with this proposed amendment of relaxation reducing the pass percentage to 20%. Secondly, similar proposal made by the Department in the year 2011 itself (28/RNS) and the Finance Department did not agree to the same and the Department had amended the proposal. Now, without any additional material on record, Finance Department cannot agree to the proposal.

(e) The department proposed Vide Amendment of Section 4 - 4(i) to substitute a clause for bringing more venture institutions under the purview of provincialisation. Finance department offers the view that it would not be judicious to accede to this at this stage on the ground that as the proposed amendment will entail additional liabilities on the resources when the provincialisation process under extant provisions is yet to be completed and to be brought to a logical conclusion.

(f) Vide Amendment of Schedule 5, the department proposed to increase or decrease the Nos. of posts in a particular cadre considering need of the

posts in the cadre without affecting the total nos. of posts of the institution. Finance Department cannot agree to the proposed amendment at this juncture even the initially agreed provincialisation has not been brought to conclusion. Secondly, there are huge no of court cases in all departments in the education department which they have not been able to provide and there are 611 no. of court cases alone in Secondary Education in the newly provincialised schools itself and any such flexibility would create enormous irregularities as has been generally noticed in the Department.

14. With the existing provincialisation itself, about 40% of salary budget is appropriated by the Education Department alone and the Government has not been able to fill up all vacancies to fill up all vacancies/create new posts in other critical departments like Health, Home, Land Revenue and Revenue generating departments like Taxation. Transport. Excise, etc.
15. It would not be exaggerated that with the current proposal and with the ensuing result of the 7th State Pay Commission's recommendation, State Govt. would not only be able to undertake any development works but also would fail to honour the salary commitments to all 4.28 lakh employees all 12 months in near future.
16. Further, the provincialisation process itself appears to be against the constitutional provisions of reservation to SC and ST. Secondly, the provincialisation of services would be required to be examined in the spirit of Uma Devi case of Supreme Court.
17. Huge number of litigations are pending in the Department and the exact numbers in Elementary Education Department are even not readily available. As stated at para 4(f) at pre-page, even a large number of cases are pending in provincialisation schools.
18. Government has engaged National Institute of Public Finance and Policy (NIPFP) to study public finances and inter-alia, the matter of education sector and cost associated thereon would also be examined. It is, therefore, prudent to await the recommendations of NIPFP.
19. The whole issues as stated above need to be seriously considered so that the regular payment of salaries of all State Government employees and regular implementation of welfare schemes do not suffer in future creating disproportionate stress on State finances in a lopsided manner.

After consideration of above observations of Finance Department, **Hon'ble Chief Minister (as FM) has ordered as follows:**

**"All deserving institutions, teachers and staff should be covered by the process of provincialisation and due justice should be meted out for the overall improvement of the educational scenario in the State. For this purpose, it is essential that all facts related to the provincialisation process are available so that no deserving institution is left out again. Hence, Education Department in consultation with Finance Department will immediately devise a mechanism to make a ground level assessment of the provincialisation scenario such that the information required in respect of number of personnel, financial implication etc. as mentioned in the Finance Department's note is accurately furnished.**

**Education Department will accordingly furnish the required details to Finance Department at the earliest, who will in turn expeditiously process the matter."**

৬. তদানীন্তন মাননীয় মুখ্যমন্ত্রীয়ে বিত্ত বিভাগৰ এই টোকাত অনুমোদন জনাই শিক্ষা বিভাগক শীঘ্ৰে এই বিষয়ে ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিছিল। সেই অনুসৰি তদানীন্তন শিক্ষামন্ত্ৰীয়েও বিত্ত বিভাগৰ পৰা পোৱা উক্ত টোকা পুনৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়লৈ তলত দিয়া ধৰণে প্ৰেৰণ কৰিছিল।

মাননীয় মুখ্যমন্ত্ৰী ঃ

অসম ভেঞ্চাৰ শিক্ষানুষ্ঠান (সেৱাৰ প্ৰাদেশিকীকৰণ) আইন, ২০১১ৰ সংশোধন সন্দৰ্ভত আপোনাৰ ফাইল নং ঃ ASE, 345/2011-ৰ দ্ৰষ্টব্য।

"সকলো যোগ্যতা সম্পন্ন শিক্ষানুষ্ঠান, শিক্ষক আৰু কৰ্মচাৰীকেই প্ৰাদেশিকীকৰণ প্ৰক্ৰিয়াই সামৰি ল'ব লাগিব আৰু ৰাজ্যখনৰ শৈক্ষিক দৃশ্যপটৰ সামগ্ৰিক উৎকৰ্ষ সাধনৰ বাবে যথাবিহিত ন্যায় নিশ্চিতভাৱে পাব লাগিব। এই পৰিপ্ৰেক্ষিতত এইটোও অতি প্ৰয়োজন যে প্ৰাদেশিকীকৰণ প্ৰক্ৰিয়াৰ সৈতে জড়িত সকলো তথ্যই পৰ্যাপ্ত হ'ব লাগিব, যাতে যোগ্য শিক্ষানুষ্ঠানসমূহ কোনো কাৰণতে বাদ পৰি নাযায়।

গতিকে, শিক্ষা বিভাগে বিত্ত বিভাগৰ সৈতে অতি শীঘ্ৰে আলোচনাত মিলিত হৈ প্ৰাদেশিকীকৰণ প্ৰক্ৰিয়াটোৰ তৃণমূল পৰ্যায়ৰ পৰা মূল্য নিৰূপণৰ বাবে এক কাৰ্যপ্ৰণালী ৰচনা কৰিব লাগিব। লগতে বিত্ত বিভাগৰ টোকাত উল্লেখ কৰা ধৰণে কৰ্মচাৰীৰ সংখ্যা আৰু ইয়াৰ বাবে প্ৰয়োজনীয় বিত্তীয় ব্যৱস্থা ইত্যাদি বিষয়ত যাতে যাৱতীয় তথ্য দাঙি ধৰিব পৰা যায়, তাৰ ব্যৱস্থা কৰিব লাগিব।

এই অনুসৰি শিক্ষা বিভাগে বিত্ত বিভাগক অতি শীঘ্ৰে আৱশ্যকীয় তথ্য সাজু কৰি দিয়াৰ ব্যৱস্থা কৰিব যাতে সমগ্ৰ প্ৰক্ৰিয়াটো দ্ৰুতগতিৰে আগবঢ়াই নিব পৰা যায়।"

আজি মই এই বিষয়টোক লৈ অসমৰ মহাধিবক্তাৰ সৈতে আলোচনা কৰিছিলো যাতে এই দিশত পৰৱৰ্তী পদক্ষেপ গ্ৰহণ কৰিব পাৰি। অসমৰ মহাধিবক্তাই প্ৰাদেশিকীকৰণ প্ৰক্ৰিয়াই সাঙুৰি ল'ব পৰাকৈ যোগ্যতা সম্পন্ন শিক্ষানুষ্ঠান, শিক্ষক, কৰ্মচাৰীসকলক বাচি উলিয়াবলৈ তৃণমূল পৰ্যায়ৰ পৰা মূল্য নিৰূপণৰ এটা কাৰ্যপ্ৰণালী ৰচনাৰ বাবে দিয়া নিৰ্দেশ সন্দৰ্ভতো পৰামৰ্শ আগবঢ়ায়। এই বিষয়ত শিক্ষা বিভাগ আৰু বিত্ত বিভাগৰ বিষয়াক সামৰি এখন কমিটী গঠন কৰিব পৰা যায়। বিদ্যালয় প্ৰাদেশিকীকৰণৰ বাবে প্ৰয়োজনীয় তথ্যসমূহ এই কমিটীখনে সংগ্ৰহ কৰাৰ ব্যৱস্থা কৰিব।

স্বাক্ষৰ—
এছ বৰকটকী
তাৰিখ ঃ ০৮/১২/২০১৫
শিক্ষামন্ত্ৰী, অসম

অনুমোদিত
স্বাক্ষৰ—
টি গগৈ
তাৰিখ ঃ ০৮/১২/২০১৫
মুখ্যমন্ত্ৰী, অসম

(৭) আদালতৰ গোচৰ আৰু নিৰ্দেশ—

(ক) বিভাগীয় তথ্য অনুসৰি মাধ্যমিক শিক্ষাৰ সঞ্চালকৰ অধীনত ৬৮৩ টা আৰু তেনেদৰে প্ৰাথমিক শিক্ষাৰ অধীনত ১০০ টা গোচৰ আদালতত বিচাৰাধীন হৈ আছে।

(খ) এই গোচৰসমূহত ঘাইকৈ আৱেদনকাৰীসকলে তেওঁলোকৰ চাকৰিৰ যোগ্যতা নাইবা যোগদানৰ তাৰিখৰ খেলিমেলি সম্পৰ্কে তথা বায়ো কেমিষ্টি আৰু বায়ো মেথমেটিকছ্ বিষয় সম্পৰ্কত থকা বিবাদসমূহৰ নিষ্পত্তিৰ নিমিত্তে গোচৰ তৰিছে। আনহাতে, শিক্ষক-কৰ্মচাৰীৰ অতিৰিক্ত নিযুক্তি বিষয়টোক লৈয়ে গোচৰ তৰা হৈছে।

(গ) ২৩/৯/২০১৬ তাৰিখৰ WP(c) No 3190/2012 নম্বৰ গোচৰত মহামান্য উচ্চ ন্যায়ালয়ে দিয়া ৰায়ত উল্লেখ কৰিছে যে **'অসম ভেঞ্চাৰ শিক্ষানুষ্ঠান প্ৰাদেশিকীকৰণ আইন ২০১১, সংবিধান মতে অবৈধ (invalid)** ঃ মহামান্য আদালতে দিয়া ৰায়ৰ পূৰ্ণ পাঠ এনে ধৰণৰ ঃ

**"DISCUSSION & CONCLUSION**

(a) When the arguments of the petitioners are analysed, it is clear that the Provincialisation Act has many legal failings as it is not only discriminatory but is also repugnant to many aspects of the RTE and other Central Acts. Noticing the merit of the points raised by the petitioners, the Government in fact has conceded about the defects in the State Act. The Education Commissioner in his affidavit averred that the State has decided to bring in a fresh legislation to streamline the process of provincialisation by addressing the deficiencies in the present Act. In such circumstances, the Court can either strike down the offending legislation or target certain portions of the Provincialisation Act to make the State legislation conform to the constitutional and legal requirements.

(b) But this litigation reveals the total non-application of mind and it is all pervading in the state enactment. The discriminatory impact of the Provincialisation Act is found to be glaring here. In order to avoid impermissible discrimination, the classification must be founded on an intelligible differentia which distinguishes persons or things that are grouped together from other left out of the group, and also the differentia must have a rational relation to the object sought to be achieved by the statute in question. The petitioners here project that the teachers whose services are provincialized and those who have been left out are at par in all aspects. In most cases, both categories have been rendering service in the school since inception and are similarly qualified as well as rendering similar duties. There is nothing on the face of the statute or the surrounding circumstances to show any distinguishing factor. Also no rational relation of such differentia with the object of the Act is discernible from reading of the provision. In fact the object of the Act is to provincialise the services of teachers in venture educational institutions and prevent further growth of such institutions.

However, the object of provincializing the services of the required teachers in the institutions established bonafide stands negated by the enactment in its present shape.

(c) The venture schools which were set up bonafide on need basis, in our perception, do serve the students in remote places and it may not be wrong to say that due to the inability of the State to discharge its constitutional obligations, the venture educational institutions were allowed to function. We may also say that the State has been discharging its constitutional obligation through these venture educational institutions. In this backdrop, when the venture schools are taken over, the government in a sense is taking steps towards discharging is constitutional obligations. However the action of the State in taking over such schools with only a given number of teachers, when the number is not commensurate with the prescribed requirements of the RTE Act (the law framed for implementation of Article 21A), the relevant prescription is absolutely arbitrary. The spirit of Article 21A stands defeated in our perception if the mechanism prescribed under the RTE Act is not conformed to encourage those bonafide elements who have aided the State in discharging its constitutional obligation.

(d) It is also questionable whether the mode of entry into government service facilitated by the Provincialisation Act can ignore the applicable reservation laws relating to SC/ST category, women and disabled groups. The role of the authorities in the field of education in the Sixth Schedule areas of Assam is also undermined by the 2011 Act.

(e) The appointment of teachers in the venture institutions is not competition based and is opaque and therefore quality of education is bound to suffer if this is allowed to continue. This naturally will negatively impact the next generation of our State. Moreover, the norms and qualification prescribed by the competent authorities like the UGC, NCTE, SEBA, etc. is the major casualty in application of the Provincialisation Act.

(f) When such substantial defects are perceived, in a given context, the court can strike down only the offending provisions. However when unconstitutionality is noticed in the major provisions starting from the Preamble to the Schedule of the Provincialisation Act, striking down the offending portion will practically de-capacitate the 2011 Act. In other words, the statute itself will become inoperable although the ultra vires declaration is limited to some segments of the Act.

(g) Therefore, we feel that a piecemeal exercise will not serve the purpose. But at the same time, to suggest how the Provincialisation Act should be re-shaped would be intruding into the domain of the legislature. Moreover amendment exercise might have to be preceded by a consultative process with all the stakeholders and this is surely the responsibility of the State. That apart it is certainly difficult to separate the bad from the good portion of the Provincialisation Act. Under these compulsions, being convinced with the arguments of the petitioners, we declare that the Assam Venture Educational Institutions (Provincialisation of Services) Act, 2011 is constitutionally invalid. As the State has decided to bring in a fresh legislation, considering the likely time needed for the process, we direct the State to do their exercise as committed in the additional affidavit, expeditiously and preferably in the next 6(six) months. It is ordered accordingly.

(h) With the above order, the cases stand allowed without any order on cost in the manner indicated."

**(৮) মহামান্য আদালতৰ নিৰ্দেশ অনুযায়ী প্ৰাদেশিকীকৰণৰ যোগ্যতাসমূহ ঃ**

যিবিলাক ভেঞ্চাৰ শিক্ষানুষ্ঠান প্ৰয়োজন অনুসৰি স্থাপন কৰা হৈছিল আমাৰ বোধজ্ঞান মতে, সেই শিক্ষানুষ্ঠানসমূহে দুৰ্গম অঞ্চলসমূহৰ ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাদান কৰি আছে। সেই দুৰ্গম অঞ্চলসমূহত শিক্ষাদানৰ ক্ষেত্ৰত চৰকাৰৰ সাংবিধানিক দায়বদ্ধতা উক্ত ভেঞ্চাৰ শিক্ষানুষ্ঠানসমূহে আন্তৰিকতাৰে পালন কৰি আহিছে। আমি এই কথাও ক'ব পাৰোঁ যে চৰকাৰে এই দিশটো বোধগম্য কৰিহে বোধহয় এই ভেঞ্চাৰ শিক্ষানুষ্ঠানসমূহ স্থাপনৰ বাবে অনুমতি প্ৰদান কৰিছিল আৰু এই বিদ্যালয়সমূহ প্ৰতিষ্ঠাৰ জৰিয়তে চৰকাৰে সাংবিধানিক দায়বদ্ধতা পালন কৰিছে।সেই অনুসৰিয়েই চৰকাৰে এই ভেঞ্চাৰ শিক্ষানুষ্ঠানসমূহক প্ৰাদেশিকীকৰণ কৰাৰ বাবে পদক্ষেপ লৈছিল।

কিন্তু চৰকাৰে এই বিদ্যালয়সমূহ প্ৰাদেশিকীকৰণ কৰাৰ সময়ত সেই বিদ্যালয়ত নিয়োজিত সকলো শিক্ষকক প্ৰাদেশিকীকৰণ নকৰি কেৱল নিৰ্ধাৰিত শিক্ষকৰ চাকৰিহে প্ৰাদেশিকীকৰণ কৰিছিল। ৰাষ্ট্ৰীয় শিক্ষাৰ অধিকাৰ আইন (ধাৰা-২১এ-ৰ ৰূপায়ণৰ বাবে বিধি প্ৰস্তুত)ৰ নিৰ্ধাৰিত চৰ্ত অনুসৰি শিক্ষকৰ সম পৰিমাপ নকৰা এই নিৰ্দেশ সম্পূৰ্ণই বিধি বহিৰ্ভূত। চৰকাৰৰ সাংবিধানিক দায়বদ্ধতাক যিসকল লোকে যথাৰ্থভাৱে পালন কৰি আহিছে, তেওঁলোকক যদি আৰ টি ই আইনৰ অধীনত প্ৰস্তুত কৰা কাৰ্যপ্ৰণালীয়ে সাঙুৰি লৈ অনুপ্ৰেৰণা নোযোগাই তেতিয়া হ'লে আমাৰ বোধেৰে ধাৰা-২১এৰ মূল উদ্দেশ্যটোৱেই ব্যৰ্থ হৈছে বুলি ক'ব লাগিব। সেয়েহে RTE আইনৰ বিধি ব্যৱস্থা অনুসৰি প্ৰাদেশিকীকৰণ কৰাটো উচিত হ'ব বুলি ভাবো।

**(৯) প্ৰাদেশিকীকৰণ আইনৰ বৰ্তমানৰ অৱস্থিতি ঃ**

(ক) প্ৰাদেশিকীকৰণ আইন, ২০১১ অনুসৰি এতিয়ালৈকে ২১৯৫৭ গৰাকী প্ৰাথমিক শিক্ষক, ১৬৭২১ গৰাকী মাধ্যমিক শিক্ষকৰ চাকৰি প্ৰাদেশিকীকৰণ কৰা হৈছে।

(খ) কিন্তু পৰিতাপৰ বিষয় যে এই নতুনকৈ প্ৰাদেশিকীকৰণ কৰা বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ক্ৰমান্বয়ে হ্ৰাস পাবলৈ ধৰিছে।

(গ) নতুনকৈ প্ৰাদেশিকীকৰণ কৰা বিদ্যালয়, যিসমূহ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা সন্তোষজনক নহয়, সেইসমূহ বিদ্যালয়ক আন বিদ্যালয়ৰ সৈতে একত্ৰীকৰণ কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে।

**(১০) প্ৰাদেশিকীকৰণ আইন, ২০১১ অনুসৰি যোগ্য কিন্তু আদালতত বিচাৰাধীন হোৱা বাবে এই পৰ্যন্ত প্ৰাদেশিকীকৰণ নোহোৱাকৈ থকা বিদ্যালয়ৰ হিচাপ ঃ**

৬৬০৮ খন বিদ্যালয় প্ৰাদেশিকীকৰণ আইন, ২০১১ অনুসৰি প্ৰাদেশিকীকৰণৰ বাবে যোগ্য হোৱা সত্ত্বেও এই পৰ্যন্ত প্ৰাদেশিকীকৰণ হোৱা নাই। উক্ত ৬৬০৮ খন বিদ্যালয়ত ৩৩৬৬৮ গৰাকী শিক্ষক-কৰ্মচাৰী প্ৰাদেশিকীকৰণৰ বাবে অপেক্ষাত আছে।

(১১) ভেঞ্চাৰ স্কুল প্ৰাদেশিকীকৰণৰ বাবে প্ৰয়োজনীয় ধনৰাশি এনে ধৰণৰ ঃ

The following tables are the financial implications for the Provincialisation of services of employees of Venture Educational Institutions since inception:

(A) Details of Institutions Provincialised under different legislations prior to the enactment of Provincialisation Act, 2011 and Financial implications thereof: [Table-1]

| Name of Directorate | No of Institutions | No of Employees | No of Students in these Institutions | Annual Salary Expenditure (Rs. in Crores) |
|---|---|---|---|---|
| Higher Education | 189 | 10,415 | 3,78,577 | 1223.95 |
| Secondary Education | 2.278 | 51,266 | 4,55,600 | 1651.94 |
| Elementary Education | 41,012 | 84,674 | 34,21,465 | 3349.87 |
| TOTAL | **43,479** | **1,46,355** | **42,55,642** | **6225.76** |

(B) Details of Institutions provincialised under Provincialisation Act, 2011 and financial implications thereof: [Table-2]

| Name of Directorate | No of Institutions | No of Employees | No of Students in these Institutions | Annual Salary Expenditure (Rs. in Crores) |
|---|---|---|---|---|
| Higher Education | 134 | 2,980 | 1,26,323 | 142.25 |
| Secondary Education | 1554 | 16,721 | 3,10,800 | 605.99 |
| Elementary Education | 6802 | 21,957 | 4,00,485 | 595.21 |
| TOTAL | **8,490** | **41,658** | **8,37,608** | **1343.45** |

(C) Details of Institutions provincialised under different Provincialisation Acts till 2016 and Financial implications thereof: [Table-3]

| Name of Directorate | No of Institutions | No of Employees | No of Students in these Institutions | Annual Salary Expenditure (Rs. in Crores) |
|---|---|---|---|---|
| Higher Education | 295 | 13,395 | 5,04,900 | 1366.20 |
| Secondary Education | 3,832 | 67,987 | 7,66,400 | 2257.99 |
| Elementary Education | 47,814 | 1,06,631 | 38,21,950 | 3945.08 |
| TOTAL | **51,941** | **1,88,013** | **50,93,250** | **7569.27** |

(D) Details of Institutions considered under the Provincialisation Act, 2011 but not yet finalized (Pending cases as per Amendment Act, 2013) and Financial implications thereof [Table-4]

| Name of Directorate | No of Institutions | No of Employees | Approximate number of students | Annual salary expenditure (Rs. in crores) |
|---|---|---|---|---|
| Higher Education | --- | 620 | --- | 36.60 |
| Secondary Education | 581 | 6704 | 104580 | 226.53 |
| Elementary Education | 6027 | 26344 | 288197 | 662.29 |
| TOTAL | **6608** | **33668** | **392777** | **925.42** |

(E) Details of Institutions demanding Provincialisation (Cases not eligible as per Provincialisation Act, 2011) and Financial implications thereof (Approximate) [Table-5]

| Name of Directorate | No of Institutions | No of Employees | Approximate Number of Students | Annual Salary Expenditure (Rs. in Crores) |
|---|---|---|---|---|
| Higher Education | 40 | 1334 | 14070 | 60.37 |
| Secondary Education | 790 | 9451 | 142200 | 829.85 |
| Elementary Education | 540 | 1356 | 21570 | 33.85 |
| TOTAL | **1370** | **12141** | **177840** | **924.07** |

(১২) প্ৰাদেশিকীকৰণৰ জটিলতা আৰু সম্ভাব্য সমাধান সূত্ৰসমূহ ঃ

১) ইংৰাজী ১/১/২০০৬ তাৰিখৰ পূৰ্বে বিদ্যালয়ৰ শেষৰ শ্ৰেণীলৈকে প্ৰতিষ্ঠাৰ অনুমতি নাইবা মঞ্জুৰি নাইবা স্বীকৃতিপত্ৰ নথকা বিদ্যালয়সমূহ প্ৰাদেশিকীকৰণত সম্পূৰ্ণ নিষেধাজ্ঞা আৰোপ কৰা হ'ব অৰ্থাৎ ভেঞ্চাৰ শিক্ষানুষ্ঠানসমূহৰ শেষ শ্ৰেণী পৰ্যন্ত অনুমতি, স্বীকৃতি নাইবা মঞ্জুৰি ১/১/২০০৬ তাৰিখৰ পূৰ্বৰ থকা হ'ব লাগিব।

২) প্ৰত্যেক বিদ্যালয়ত নিৰ্দ্দিষ্ট শিক্ষকৰ পদ প্ৰাদেশিকীকৰণ কৰাৰ বিপৰীতে বিষয় শিক্ষক আৰু অন্যান্য শিক্ষকৰ পদ প্ৰাদেশিকীকৰণ সেই বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যাৰ অনুপাতে কৰাতো আৱশ্যক।

৩) বিদ্যালয়ৰ পদ প্ৰাদেশিকীকৰণ কৰিবলৈ যাওঁতে অনুসূচিত জাতি আৰু জনজাতিৰ সংৰক্ষণ নীতিৰ আধাৰত পদসমূহ চিনাক্ত কৰি লোৱাৰ প্ৰয়োজনীয়তা আছে যদিও নতুন আইন অনসুৰি যিসকল শিক্ষকৰ পদ প্ৰাদেশিকীকৰণ কৰা হ'ব সেই পদসমূহ ব্যক্তিগত পদ হ'ব। সেই ব্যক্তিগত পদসমূহ শিক্ষকজনে পদ এৰাৰ লগে লগে বিলুপ্ত হ'ব। এই পদসমূহ নিয়মীয়া পদৰ সূচীৰ পৰা বাহিৰত থাকিব।

৪) গুণগত শিক্ষাৰ লক্ষ্যত উপনীত হ'বলৈ হ'লে বিদ্যালয় প্ৰাদেশিকীকৰণ কৰাৰ সময়ত উক্ত ভেঞ্চাৰ বিদ্যালয়সমূহৰ শিক্ষকসকসকলৰ শৈক্ষিক আৰু বৃত্তিমূলক অৰ্হতাৰ দিশটোও চালি জাৰি চোৱাটো আৱশ্যক। সেই অনুসৰি RTE/NCTE/UGC NORMS-ত উল্লিখিত অৰ্হতাসম্পন্ন শিক্ষকসকলক অসম চৰকাৰৰ নিয়ম অনুযায়ী সম্পূৰ্ণ দৰমহা আৰু অন্যান্য সা-সুবিধা প্ৰদান কৰা হ'ব। যিসকল এই অৰ্হতাসম্পন্ন নহয় তেখেতসকলক TUTOR হিচাপে প্ৰাদেশিকীকৰণ কৰিব লাগিব। এই TUTOR সকলে যেতিয়াকৈ প্ৰয়োজনীয় অৰ্হতা অৰ্জন কৰিব নোৱাৰিব তেতিয়ালৈকে তেওঁলোকক এটি নিৰ্ধাৰিত হাৰত দৰমহা দিব লাগিব।

৫) সকলো পৰ্যায়ৰ বিদ্যালয়তে বাধ্যতামূলক বিষয়সমূহৰ শিক্ষক থকাটো সুনিশ্চিত কৰিব লাগিব।

৬) প্ৰতিটো অঞ্চলতে প্ৰতি এক কিলোমিটাৰ ব্যাসাৰ্দ্ধৰ ভিতৰত একোখন প্ৰাথমিক বিদ্যালয়, তিনি কিলোমিটাৰ ব্যাসাৰ্দ্ধৰ ভিতৰত একোখন উচ্চ প্ৰাথমিক বিদ্যালয়, প্ৰতি পাঁচ কিলোমিটাৰত এখন উচ্চ মাধ্যমিক বিদ্যালয় আৰু প্ৰতি সাত কিলোমিটাৰত এখন উচ্চতৰ মাধ্যমিক থকাটো বাঞ্ছনীয়। পদসমূহ প্ৰাদেশিকীকৰণ কৰাৰ পূৰ্বে ওপৰোক্ত নিয়ম অনুসৰি প্ৰত্যেক স্তৰৰ বিদ্যালয়ৰ বাবে এখন 'ভেটী বিদ্যালয়' (BASE SCHOOL) নিৰ্ধাৰণ কৰিব লাগিব। প্ৰাদেশীকৃত শিক্ষকসকলক সেই অঞ্চলৰ বাবে নিৰ্ধাৰিত 'ভেটী বিদ্যালয়'ৰ লগত সংলগ্ন কৰিব লাগিব।

(১৩) ওপৰত উল্লিখিত প্ৰাথমিক, মাধ্যমিক আৰু উচ্চ শিক্ষাৰ শিক্ষানুষ্ঠানসমূহৰ বাদেও তলত উল্লেখ কৰা অনুসৰি ৰাজ্যত মাদ্ৰাছা আৰু সংস্কৃত টোল একাংশক ইতিমধ্যে প্ৰাদেশিকীকৰণ কৰা হৈছে। তথ্য অনুসৰি প্ৰাদেশিকীকৰণ আইন, ২০১১-ৰ জৰিয়তে এই পৰ্যন্ত ৩২৭ খন মাদ্ৰাছা শিক্ষানুষ্ঠান আৰু ১৫ খন সংস্কৃত টোল প্ৰাদেশিকীকৰণ কৰা হৈছে।

| শিক্ষানুষ্ঠানৰ প্ৰকাৰ | শিক্ষানুষ্ঠানৰ সংখ্যা | কৰ্মচাৰীৰ সংখ্যা | বাৰ্ষিক দৰমহা খৰছ (কোটি হিচাপত) |
|---|---|---|---|
| মাদ্ৰাছা শিক্ষানুষ্ঠান | ৩২৭ | ৩৮৩২ | ১৭৩.৫৮ |
| সংস্কৃত আৰু পালি শিক্ষানুষ্ঠান | ১৫ | ৭৫ | ০৩.০৩ |
| মুঠ | ৩৪২ | ৩৯০৭ | ১৭৬.৬১ |

ইয়াৰ উপৰি ১৬২ মাদ্ৰাছা শিক্ষানুষ্ঠানত কৰ্মৰত ১৬৯৬ গৰাকী শিক্ষক-কৰ্মচাৰীৰ মাদ্ৰাছা শিক্ষানুষ্ঠান প্ৰাদেশিকীকৰণ আইন, ২০১১ অনুসৰি যোগ্যতা আছে আৰু উক্ত শিক্ষক-কৰ্মচাৰীক যদি প্ৰাদেশিকীকৰণ কৰা হয়, তেতিয়াহ'লে প্ৰতিবছৰে ৩৯.৬৪ কোটি টকাৰ প্ৰয়োজন হ'ব।

এইখিনিৰ বাদেও আৰু অন্য ১৬৪ খন মাদ্ৰাছা শিক্ষানুষ্ঠান আৰু ৯৬ খন সংস্কৃত আৰু পালি শিক্ষানুষ্ঠানে ১/১/২০১৬ তাৰিখৰ পাছত অনুমতি আৰু মঞ্জুৰি লাভ কৰিছে আৰু এই শিক্ষানুষ্ঠানসমূহকো যদিহে প্ৰাদেশিকীকৰণ কৰা হয়, সেইক্ষেত্ৰত প্ৰতিবছৰে অতিৰিক্ত ১৩৮ কোটি টকাৰ প্ৰয়োজন হ'ব।

**(১৪) অতিৰিক্ত পুঁজিৰ আৱশ্যকতা ঃ**

(ক) এই শ্বেতপত্ৰত উল্লেখ কৰা সমাধান সূত্ৰ ৰূপায়ণ কৰিবলৈ যাওঁতে ৰাজ্য চৰকাৰৰ প্ৰতি বছৰে ৭৫৬ কোটি টকাৰ প্ৰয়োজন হ'ব আৰু যোগ্যতা থকা প্ৰাথমিক, মাধ্যমিক আৰু উচ্চ শিক্ষাৰ শিক্ষানুষ্ঠানসমূহক সামৰি ল'ব পৰা যাব।

(খ) তেনেদৰে মাদ্ৰাছা শিক্ষানুষ্ঠান আৰু সংস্কৃত টোলৰ শিক্ষক-কৰ্মচাৰীৰ পদ প্ৰাদেশিকীকৰণ কৰিবলৈ বছৰি অতিৰিক্তভাৱে আৰু ৪০ কোটি টকাৰ প্ৰয়োজন হ'ব। ৰাজ্য চৰকাৰে প্ৰয়োজনীয় পুঁজি সংগ্ৰহৰ বাবে কেইটামান বিশেষ ব্যৱস্থা গ্ৰহণ কৰিবলগীয়া হ'ব।

**(১৫) প্ৰাদেশিকীকৰণৰ বাবে পুঁজি আহৰণ ঃ**

বিদ্যালয় প্ৰাদেশিকীকৰণ কৰিবলৈ হ'লে ৰাজ্য চৰকাৰে প্ৰয়োজনীয় পুঁজি সংগ্ৰহৰ বাবে কেইটামান বিশেষ ব্যৱস্থা গ্ৰহণ কৰিবলগীয়া হ'ব। যেনে— বিভিন্ন সামগ্ৰী আৰু সেৱাৰ ওপৰত কৰ আৰোপ কৰি আহৰণ কৰা পুঁজিৰে ভেঞ্চাৰ বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীসকলক দৰমহা আদি দিব পৰা যাব। সেয়েহে ৰাজ্য চৰকাৰে এখন পৃথক আইন অথবা বিধি প্ৰস্তুত কৰি কিছুমান আয়ৰ উৎস যেনে - কৰ, উপকৰ, মাচুল (Toll) শুল্ক আদিৰ পৰা পুঁজি আহৰণ কৰিব লাগিব।

**শিক্ষামন্ত্ৰী, অসম**
**২৭ ফেব্ৰুৱাৰী, ২০১৭**